B.A 3rd Sem

**2021/TDC/CBCS/ODD/ASMDSC/GE–301T/408**

**TDC (CBCS) Odd Semester Exam., 2021**
**held in March, 2022**

# ASSAMESE

**( 3rd Semester )**

Course No. : ASMDSC/GE–301T

**( অসমীয়া লোকসংস্কৃতি )**

*Full Marks* : 70
*Pass Marks* : 28

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

## SECTION—A

তলৰ প্ৰশ্নসমূহৰ চমু উত্তৰ দিয়া (যি কোনো **বিশটা**) : ১×২০=২০

১। লোকসংস্কৃতিৰ এটা সংজ্ঞা লিখা।

২। লোকজ্ঞান আৰু লোকঅভিজ্ঞতাক সূচাবৰ বাবে ১৮৪৬ চনত 'Folklore' পদটো কোনে ব্যৱহাৰ কৰিছিল?

৩। 'অসমীয়া লোকসংস্কৃতিৰ আভাস' গ্ৰন্থখনৰ ৰচক কোন?

৪। ৰিচার্ড এম্. ডৰচনে লোকবিদ্যা আৰু লোকজীৱনক কেইটা ভাগত বিভক্ত কৰিছে?

৫। "লোকবিদ্যা বা লোকসংস্কৃতিৰ এটা প্ৰধান বিশেষত্ব—ই সমন্বয়ৰ প্ৰৱণতা ব্যঞ্জিত কৰে।" কথাষাৰ কোনে কৈছিল?

৬। অসমীয়া লোকসংস্কৃতিৰ এটা উপাদান লিখা।

৭। ড০ নবীন চন্দ্ৰ শৰ্মাই অসমীয়া লোকসংস্কৃতিক কেইটা ভাগত ভাগ কৰিছে?

৮। 'লোককৃষ্টিৰ উৎস' গ্ৰন্থখন কাৰ ৰচনা?

৯। অসমীয়া সামাজিক লোকাচাৰৰ অন্তৰ্গত এটা উপাদান উল্লেখ কৰা।

১০। কৃষিৰ লগত জড়িত এটি উৎসৱৰ নাম লিখা।

১১। অসমীয়া লোকগীতৰ এটি বৈশিষ্ট্য লিখা।

১২। 'অসমৰ লোকসাহিত্য' গ্ৰন্থখনৰ লেখক কোন?

১৩। অসমীয়া অনুষ্ঠানমূলক লোকগীত এবিধৰ উদাহৰণ দিয়া।

১৪। নিচুকনি গীতক অন্য কি নামেৰে জনা যায়?

১৫। অসমৰ পৰম্পৰাগত লোককথা এটিৰ উদাহৰণ দিয়া।

১৬। 'চ'মাংকান' কোন জনগোষ্ঠীয়ে পালন কৰে?

১৭। 'ভঠেলি' অসমৰ কোন অঞ্চলত প্ৰচলিত?

১৮। অসমত প্ৰচলিত বসন্ত উৎসৱ এটি উল্লেখ কৰা।

১৯। বিহুৰ লগত জড়িত এটি লোকাচাৰ লিখা।

২০। অসমৰ লোকবিশ্বাসৰ লগত জড়িত এবিধ জন্তুৰ নাম লিখা।

২১। লোকশিল্পৰ প্ৰাচীনতম নিদৰ্শন বুলি কোনবিধ শিল্পক কোৱা হয়?

২২। 'বাঁহী' কিহেৰে নিৰ্মিত?

২৩। 'জাম্বিলী আথন' কোন জনগোষ্ঠীৰ লগত সম্পৰ্কিত?

২৪। এবিধ পুৰুষে পিন্ধা অলংকাৰৰ নাম লিখা।

২৫। অসমৰ পৰম্পৰাগত ধাতুশিল্প এবিধৰ নাম লিখা।

## SECTION—B

তলৰ যি কোনো **পাঁচটা** প্ৰশ্নৰ উত্তৰ লিখা : ২×৫=১০

২৬। ভৌতিক সংস্কৃতি বুলিলে কি বুজা?

২৭। লোকপৰিবেশ্য কলাৰ অন্তৰ্গত দুটা অনুষ্ঠানৰ নাম লিখা।

২৮। অসমৰ পৰম্পৰাগত লোকনৃত্যৰ দুটা উদাহৰণ দিয়া।

২৯। অসমীয়া লোকপৰিবেশ্য কলাৰ দুটা বৈশিষ্ট্য লিখা।

৩০। আখ্যানমূলক লোকগীত বুলিলে কি বুজা?

৩১। 'বং-অই আলুন' আৰু 'ঐনিঃতম' কোন কোন জনগোষ্ঠীৰ লোকগীত?

৩২। অসমৰ ঋতুকালীন উৎসৱ দুটাৰ নাম লিখা।

৩৩। লোকবিশ্বাস বুলিলে কি বুজা?

৩৪। বাঁহ-বেতেৰে নিৰ্মিত দুবিধ সঁজুলিৰ নাম লিখা।

৩৫। কৃষিৰ লগত জড়িত দুবিধ সঁজুলিৰ নাম লিখা।

## SECTION—C

তলৰ যি কোনো **পাঁচটা** প্ৰশ্নৰ উত্তৰ লিখা : ৮×৫=৪০

৩৬। লোকসংস্কৃতি বুলিলে কি বুজা? ইয়াৰ স্বৰূপ সম্পৰ্কে আলোচনা কৰা। ২+৬=৮

৩৭। লোকাচাৰ বুলিলে কি বুজা? সামাজিক লোকাচাৰৰ বিষয়ে চমুকৈ আলোচনা কৰা। ২+৬=৮

৩৮। অসমীয়া লোকসংস্কৃতিৰ বিশেষত্বসমূহ আলোচনা কৰা।

৩৯। অসমীয়া লোকসংস্কৃতিৰ প্ৰধান ভাগবোৰৰ বিষয়ে এটি পৰিচয়মূলক টোকা লিখা।

৪০। অসমীয়া মৌখিক সাহিত্যৰ শ্ৰেণীবিভাগ সম্পৰ্কে চমুকৈ আলোচনা কৰা।

৪১। গোৱালপৰীয়া লোকগীতৰ বিষয়ে এটি প্ৰবন্ধ যুগুত কৰা।

৪২। অসমৰ উৎসৱ-অনুষ্ঠানসমূহক ঘাইকৈ কেইটা ভাগত ভগাব পাৰি? তাৰে যি কোনো এটা ভাগৰ পৰিচয় আগবঢ়োৱা। ৩+৫=৮

৪৩। 'অসমীয়া লোকবিশ্বাসত গছ-গছনি'—এই শীৰ্ষক এটি আলোচনা আগবঢ়োৱা।

৪৪। 'অসমৰ পৰম্পৰাগত লোকশিল্প'—এই সম্পৰ্কে এটি টোকা লিখা।

৪৫। অসমৰ কুটীৰ শিল্প আৰু এই শিল্পলৈ বৰ্তমান আহি পৰা প্ৰত্যাহ্বান সম্পৰ্কে লিখা।

★★★